**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং - ১০৪**
**উত্তৰ দানৰ তাৰিখ – ০৮/০৭/২০২৬**

তৰাবিহীন প্ৰশ্ন নং – ১০৪

বিষয়ঃ ফলঙনি বোৱতী জলসিঞ্চন আঁচনি বিধায়ক – শ্ৰী মৃণাল শইকীয়াঃ

**<u>মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনেঃ</u>**

**(ক)** ফলঙনি বোৱতী জলসিঞ্চন মৃত আঁচনিখন পুনৰুজ্জীৱিত কৰিবৰ বাবে বিভাগে ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

**(খ)** উক্ত আঁচনিখন কেতিয়া স্থাপিত হৈছিল আৰু কোন বৰ্ষত বন্ধ হৈছিল বিভাগে জনাবনে ?

**<u>মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা মহোদয়ে উত্তৰ দিবঃ</u>**

**(ক)** জলসিঞ্চন বিভাগে ফলঙনি বোৱতী জলসিঞ্চন আঁচনিখন পুনৰজীৱিত কৰাৰ লক্ষ্যৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰি আছে। এই উদ্দেশ্যে আঁচনিখনৰ বিভিন্ন কাৰিকৰী দিশৰ বিশদ্ অধ্যয়ন অব্যাহত আছে। আঁচনিখনৰ পুনৰজীৱিত কৰাৰ বাবে প্ৰাৰম্ভিক জৰীপ (Preliminary Survey) সম্পূৰ্ণ কৰা হৈছে আৰু সংশ্লিষ্ট নদীখনৰ জলবিজ্ঞান (Hydrological) তথ্য সংগ্ৰহৰ কাম চলি আছে।

মুখ্য অভিযন্তাৰ নিৰ্দেশমতে অতিৰিক্ত মুখ্য অভিযন্তা (অনুসন্ধান আৰু মান নিয়ন্ত্ৰণ)-ৰ নেতৃত্বত এটি বিশেষজ্ঞ দলে ০১.০৭.২০২৬ তাৰিখে আঁচনিখন পৰিদৰ্শন কৰে। পৰিদৰ্শনত দেখা যায় যে, ১৯৯৩ চনৰ বানপানীত মূল হেডৱৰ্ক ক্ষতিগ্ৰস্ত হোৱাৰ ফলত আঁচনিখন অকাৰ্যক্ষম হৈ পৰিছে। মূল নলা আৰু ক্ৰছ-ড্ৰেইনেজ গাঁথনিৰ কিছু অংশ এতিয়াও ব্যৱহাৰযোগ্য অৱস্থাত আছে যদিও বহু অংশ ক্ষতিগ্ৰস্ত, গছ-গছনিৰে আবৃত আৰু আংশিকভাৱে দখলমুক্ত কৰাৰ প্ৰয়োজন আছে।

পৰিদৰ্শনকালত স্থানীয় গঞাবাসী আৰু পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানৰ জনপ্ৰতিনিধিসকলৰ সৈতে অনুষ্ঠিত আলোচনাত পৰম্পৰাগত বোৱতী জলসিঞ্চন আঁচনিৰ পৰিৱৰ্তে উত্তোলিত জলসিঞ্চন আঁচনি (Lift Irrigation Scheme) হিচাপে পুনৰুজ্জীৱিত কৰিলে অধিক ফলপ্ৰসূ হ'ব বুলি মত প্ৰকাশ কৰা হয়। লগতে ভূমি অধিগ্ৰহণৰ প্ৰয়োজনীয়তা আৰু প্ৰকল্পৰ ব্যয় হ্ৰাস কৰাৰ উদ্দেশ্যে বিদ্যমান মাটিৰ নলা আৰু নলা-সংৰচনাসমূহ যথাসম্ভৱ ব্যৱহাৰ কৰাৰ লগতে আদেশিত এলেকাত সৰ্বাধিক জলসিঞ্চন সুবিধা নিশ্চিত কৰিবলৈ চাপযুক্ত পাইপ নেটৱৰ্কৰ সৈতে সৌৰশক্তিচালিত পাম্পিং ব্যৱস্থা গ্ৰহণৰ পৰামৰ্শ দিয়া হৈছে।

বিশেষজ্ঞ দলৰ প্ৰতিবেদন আৰু মতামতৰ ভিত্তিত বিভাগৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতে আলোচনা কৰি আঁচনিখন পুনৰজীৱিত কৰাৰ বিষয়ে উপযুক্ত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব।

**(খ)** ফলঙনি বোৱতী জলসিঞ্চন আঁচনিখন ১৯৬৮-৬৯ চনত স্থাপন কৰা হৈছিল। পৰৱৰ্তী সময়ত বিভিন্ন কাৰণবশতঃ ১৯৯৩ চনৰ পৰা আঁচনিখন কাৰ্যক্ষম হৈ থকা নাই।

XXXXX